# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-March-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

———————————————————

**HEADLINES**
**::::::::::::::::::::**

১। যুৱ প্ৰজন্মৰ প্ৰতিনিধিক সামৰি বিজেপিৰ ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ। কেইবাগৰাকী বিধায়কৰ প্ৰাৰ্থিত্ব কৰ্তন।

২। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীসকলৰ মনোনয়ন সংগ্ৰহ আৰু দাখিলৰ লগতে প্ৰচাৰ অভিযান আৰম্ভ।

৩। ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত নিৰ্বাচন সুচাৰু আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহৰ পূৰ্ণ প্ৰস্তুতি অব্যাহত

৪। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতৰ বিচাৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে ন্যায়াধীশ শৰ্মিলা ভূঞাক মনোনীত।

**আৰু**

৫। দেশত ইন্ধনৰ যোগান স্বাভাৱিক অৱস্থাত আছে বুলি কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশ।

ooooo

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। ৬ গৰাকী মহিলা প্ৰাৰ্থীৰ নামৰ সৈতে প্ৰকাশিত এই তালিকাত বহু কেইগৰাকী বিধায়কৰ প্ৰাৰ্থিত্ব কৰ্তন কৰা হৈছে। দলৰ সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ সিদ্ধান্ত অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰীৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। লোকসভাৰ প্ৰাক্তন সাংসদ ড° ৰাজদীপ ৰয়ে শিলচৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সমান্তৰালকৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব।

বিজেপিত নতুনকৈ যোগদান কৰা প্ৰদ্যুৎ বৰদলৈক দিছপুৰ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। নিউ গুৱাহাটীত দিপ্লু ৰঞ্জন শৰ্মা, মধ্য গুৱাহাটীত বিজয় কুমাৰ গুপ্তা, ৰঙিয়াত ভৱেশ কলিতা, নলবাৰীত জয়ন্ত মল্ল বৰুৱা, জাগীৰোডত পীযূষ হাজৰিকা, মৰিগাঁৱত ৰমাকান্ত দেউৰী, নগাঁও বটদ্ৰৱাত ৰূপক শৰ্মা, নদুৱাৰত পদ্ম হাজৰিকা, মঙলদৈত নীলিমা

দেৰী, বিহপুৰীয়াত ভূপেন বৰা, লখিমপুৰত মানৱ ডেকা, ঢকুৱাখনাত নৱ কুমাৰ দলে, ধেমাজিত ডা০ ৰণোজ পেগু, ডিব্ৰুগড়ত প্ৰশান্ত ফুকন, টিংখঙত বিমল বৰা, নাহৰকটীয়াত তৰংগ গগৈ, ডিমৌত সুশান্ত বৰগোহাঁই, মাজুলীত ভূৱন গাম, যোৰহাটত হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী, গোলাঘাটত অজন্তা নেওগ, খুমটাইত মৃণাল শইকীয়া, সৰুপথাৰত বিশ্বজিৎ ফুকন, ৰংখাঙত তুলিৰাম ৰংহাং, লক্ষীপুৰত কৌশিক ৰায়, পাথাৰকান্দিত কৃষ্ণেন্দু পাল, কাটিগড়াত কমলাক্ষ দে পুৰকায়স্থক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বৰ পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, দিছপুৰৰ বিধায়ক অতুল বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি প্ৰায় ১৯ গৰাকী বিধায়কৰ নাম এই তালিকাৰ পৰা কৰ্তন কৰা হৈছে। এইবাৰ তালিকাত যুৱ প্ৰজন্মৰ কেইবাগৰাকীও প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰা হৈছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। সকলো জনগোষ্ঠীৰ প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদানৰ চেষ্টা কৰা হৈছে বুলি তেওঁ কয়।

**বাইট (চি এম)**

ইপিনে অনুসূচীত জাতিৰ বাবে সংৰক্ষিত নৱ গঠিত ডিমৰীয়া সমষ্টিকে ধৰি ২৬টা সমষ্টি বিজেপিয়ে মিত্ৰদল অসম গণ পৰিষদক এৰি দিছে। বিজেপিৰ প্ৰাৰ্থীৰ নাম ঘোষণাৰ পাছতে এতিয়া অগপই শীঘ্ৰেই প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

কংগ্ৰেছ দলে আজি তৃতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ সম্ভাৱনা আছে। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মাজত মিত্ৰতা সন্দৰ্ভত আজি পুনৰ ডিব্ৰুগড়ত গৌৰৱ গগৈ আৰু অখিল গগৈৰ মাজত কেইবা ঘণ্টাজোৰা আলোচনা অনুষ্ঠিত হয় যদিও মিত্ৰতাৰ বিষয়টো আজিও অমীমাংসিত হৈ ৰয়। ইউ পি পি এলে আজি ৫ জন প্ৰাৰ্থীৰ নাম সম্বলিত তৃতীয়খন তালিকা প্ৰকাশ কৰে। দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে এখন সংবাদমেলত প্ৰকাশ কৰা মতে বাউখুংগ্ৰী সমষ্টিত ইউ পি পি এলৰ মহিলা গোটৰ কেন্দ্ৰীয় সভানেত্ৰী প্ৰতিভা ব্ৰহ্ম, পৰ্বতঝোৰা সমষ্টিত আয়ুব হুছেইন মণ্ডল, চিদলী সমষ্টিত প্ৰাক্তন পাৰিষদ ৰঞ্জিত বসুমতাৰী, গোৰেশ্বৰত পবিত্ৰ বড়ো আৰু মাজবাটত ৰবীন্দ্ৰ বসুমতাৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। বিটিচিৰ বাকী থকা দুটা সমষ্টি– মানস আৰু টংলাৰ বাবে প্ৰাৰ্থীৰ নাম সন্ধিয়ালৈ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি সাধাৰণ সম্পাদকগৰাকীয়ে জানিবলৈ দিয়ে।

বি পি এফৰ প্ৰাৰ্থী তালিকাও আজি সন্ধিয়াৰ ভিতৰত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে।

০০০০০

বিজেপিৰ প্ৰাৰ্থী তালিকা ঘোষণাৰ পাছতে টিকটৰ পৰা বঞ্চিত বিভিন্নজনে ক্ষোভ আৰু অসন্তুষ্টি ব্যক্ত কৰিছে। কাছাৰ জিলাৰ ধলাইৰ বিজেপিৰ বৰ্তমানৰ বিধায়ক নিহাৰ ৰঞ্জন দাসে প্ৰাৰ্থী তালিকা ঘোষণাৰ পাছতে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰে। বিধায়কগৰাকীয়ে প্ৰাৰ্থী তালিকাক লৈ অসন্তুষ্টি ব্যক্ত কৰি তেওঁৰ কামক সঠিকভাৱে স্বীকৃতি দিয়া হোৱা নাই বুলি পদত্যাগ পত্ৰত উল্লেখ কৰে।

ইপিনে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীসকলৰ মনোনয়ন সংগ্ৰহ আৰু দাখিলৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ হৈছে। **নগাঁও** জিলাৰ ৰূপহীহাট বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী নুৰুল হুদাই আজি ঢোলে-ডগৰে মনোনয়ন পত্ৰ দাখিল কৰে। নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত পত্নী আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ উপস্থিতিত তেওঁ মনোনয়ন দাখিল কৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ জালুকবাৰী সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব। **তামুলপুৰ**ৰ পৰা বিজেপিৰ প্ৰাৰ্থিত্ব লাভ কৰা বিশ্বজিৎ দৈমাৰীয়ে কাইলৈ মনোনয়ন পত্ৰ দাখিল

কৰিব। **বৰপেটা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে কালি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান আৰম্ভ হৈছে। **বাক্সা** জিলাৰ মানাহ সমষ্টিত আজি ৰাইজৰ দলৰ প্ৰাৰ্থী অঞ্জন তালুকদাৰে প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰীতালুকদাৰে বিৰোধী পক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰি বিগত সময়ছোৱাত শাসকীয় তথা আন আন বিৰোধী দলে মানাহ সমষ্টিৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ তোলে। বিজেপিয়ে অহা ২৪ মাৰ্চৰ পৰা প্ৰচাৰ অভিযান আৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰিছে। নিৰ্বাচনৰ প্ৰচাৰ চলোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন অসমলৈ আহিব বুলি তেওঁ জানিবলৈ দিয়ে।

ooooo

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত নিৰ্বাচন সুচাৰুৰূপে আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে। **গোৱালপাৰা** জিলাৰ ৪টা বিধানসভা সমষ্টিৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভাৰ আয়োজন কৰা হয়। সভাত জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই জিলাখনত নিয়োজিত নিৰ্বাচনী পৰ্যবেক্ষকৰ আগত প্ৰস্তুতিৰ খতিয়ান দাঙি ধৰে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধিৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলা প্ৰশাসনে বিভিন্ন স্থানত অভিযান চলাইছে। জিলা প্ৰশাসনে আন্তঃজিলা সীমান্তসমূহত তালাচী তীব্ৰতৰ কৰি তুলিছে। কালিৰ অভিযানত সোণাপুৰ অঞ্চলৰ তামুলীকুছিত ১১০ লিটাৰ অবৈধ সুৰা আৰু ৩ হাজাৰ ২০০ লিটাৰ বিদেশী সুৰাসহ তিনিজন লোকক আটক কৰে। **বজালী** জিলা প্ৰশাসনে নিৰ্বাচনী সামগ্ৰী মুদ্ৰণ আৰু প্ৰকাশৰ ক্ষেত্ৰত স্বচ্ছতা নিশ্চিত কৰাৰ বাবে লোক প্ৰতিনিধিত্ব অধিনিয়ম ১৯৫১ৰ অধীনত নিৰ্দেশ জাৰি কৰিছে। এই অনুসৰি জিলাখনত কোনো ব্যক্তি বা প্ৰতিষ্ঠানে নিৰ্বাচনী পেমফ্লেট, প'ষ্টাৰ আদিৰ মুদ্ৰণ আৰু প্ৰকাশৰ বাবে নিৰ্দিষ্ট নিয়ম মানি চলাটো বাধ্যতামূলক কৰা হৈছে। উল্লেখযোগ্য যে নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা সুনিশ্চিত কৰাৰ বাবে জিলাই জিলাই হেল্পলাইন নম্বৰ আৰু চিভিজিল এপ্লিকেচন মুকলি কৰা হৈছে। ইয়াৰ জৰিয়তে যিকোনো লোকে নিৰ্বাচনী আচৰণ বিধি উলংঘনৰ অভিযোগ দাখিল কৰিব পাৰিব।

ooooo

ৰাজ্যখনত বিধানসভা নিৰ্বাচন সুকলমে পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে নিয়োগ কৰা কেইবাগৰাকীও পৰ্যবেক্ষক সংশ্লিষ্ট জিলাসমূহত উপস্থিত হৈ জিলাৰ ন'ডেল বিষয়া আৰু বিভিন্ন দলৰ সদস্যৰ সৈতে মত বিনিময় কৰিছে। নলবাৰী জিলাত আজি সাধাৰণ পৰ্যৱেক্ষক হিচাপে নিয়োজিত ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া বি শ্ৰীনিবাসন, আৰক্ষী পৰ্যৱেক্ষক হিচাপে নিয়োজিত ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া অবিনাশ কুমাৰ আৰু ব্যয় পৰ্যৱেক্ষক হিচাপে নিয়োজিত ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া আশুতোষ কুমাৰ চাহুৰে আজি জিলা আয়ুক্ত আৰু নিৰ্বাচনী দায়িত্বৱাহী বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। জিলা প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰা মতে জিলাখনত সকলো নিৰ্বাচনী কোষৰ কাম আৰম্ভ হৈছে। আয়ুক্তৰ কাৰ্যালয়ত ২৪ ঘণ্টা জোৰা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি তেওঁ কয়। ডিব্ৰুগড় জিলাত সাধাৰণ পৰ্যৱেক্ষক, আৰক্ষী পৰ্যৱেক্ষক আৰু ব্যয় পৰ্যৱেক্ষক হিচাপে নিযুক্ত পাঁচগৰাকী বিষয়াই নিজ নিজ দায়িত্বত যোগদান কৰিছে।

কামৰূপ মহানগৰ জিলাৰ নিৰ্বাচনী কামকাজ তদাৰক কৰাৰ লগতে ব্যয় নিৰীক্ষণ আৰু আৰক্ষী প্ৰশাসনৰ কাম চোৱাচিতা কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে কামৰূপ মহানগৰ জিলাত দুগৰকী সাধাৰণ পৰ্যৱেক্ষক, দুগৰাকী ব্যয় পৰ্যৱেক্ষক আৰু এগৰাকী আৰক্ষী পৰ্যৱেক্ষক নিযুক্তি দিছে। ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া প্ৰদীপ কুমাৰ কৃষ্ণাৰাও দাংগে আৰু হিম শেখৰ গুপ্তাক সাধাৰণ পৰ্যৱেক্ষক, ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া ৰঞ্জন প্ৰকাশ আৰু ৰজত সেনক ব্যয় পৰ্যৱেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। আৰক্ষী সেৱাৰ বিষয়া আছলাম খানক আৰক্ষী পৰ্যৱেক্ষক হিচাপে নিয়োগ কৰা হৈছে। আটাইকেইগৰাকী পৰ্যৱেক্ষক গুৱাহাটীত উপস্থিত হৈ পৰিস্থিতি নিৰীক্ষণ কৰিছে। জনসাধাৰণ তথা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে নিৰ্দিষ্ট ফোন নম্বৰ যোগে তেওঁলোকক ওজৰ-আপত্তি দিব পাৰিব।

**চৰাইদেউ** জিলাৰ সোণাৰি আৰু মাহমৰা সমষ্টিৰ বাবে নিয়োগ কৰা সাধাৰণ পৰ্যবেক্ষক ৰাহুল পাণ্ডে, আৰক্ষী পৰ্যবেক্ষক এ জি বাবু আৰু ব্যয় পৰ্যবেক্ষক ভি সুধা ৰাণীয়ে জনসাধাৰণ তথা ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে নিৰ্বাচনী বিষয় সন্দৰ্ভত মত বিনিময় কৰিব। প্ৰতিদিনে দিনৰ ১১ বজাৰ পৰা ১২ বজালৈ ৰাইজে তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিব পাৰিব।

**যোৰহাট** জিলাৰ চাৰিটা বিধানসভা সমষ্টিৰ বাবেও তিনি গৰাকী পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে।

00000

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত বিশেষ ফাষ্টট্ৰেক আদালতত দৈনন্দিন বিচাৰ প্ৰক্ৰিয়া পৰিচালনাৰ বাবে বাক্সাৰ জিলা ন্যায়াধীশ হিচাপে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা শৰ্মিলা ভূঞাক মনোনিত কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই নিৰ্ণায়ক পদক্ষেপে ন্যায়িক প্ৰক্ৰিয়াক ত্বৰাণ্বিত কৰি যথোচিত ন্যায় সুনিশ্চিত কৰিব বুলি আশা কৰা হৈছে। এতিয়াৰে পৰা গোচৰটোৰ দৈনিক শুনানি অনুষ্ঠিত হ'ব বুলি ড০ শৰ্মাই কয়।

(বাইট)

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰ সন্দৰ্ভত কামৰূপ মহানগৰ জিলা আৰু ছেচন আদালতত আজিৰে পাৰ অভিযুক্তৰ বিৰুদ্ধে আৰোপ কৰিবলগীয়া ধাৰা সন্দৰ্ভত শুনানি অনুষ্ঠিত হৈছে। আজি ৰাজ্য চৰকাৰে নিয়োগ কৰা বিশেষ লোক অধিবক্তাৰ দলে অভিযুক্তসকলৰ ওপৰত আৰোপ কৰা গোচৰৰ বিভিন্ন ধাৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰে। কাইলৈ পুনৰ এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰা হ'ব। ইপিনে অভিযুক্ত সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাই এই গোচৰৰ পৰা ৰেহাই বিচাৰি আদালতত আবেদন দাখিল কৰিছে। এই আবেদন সন্দৰ্ভতো কাইলৈ শুনানি গ্ৰহণ কৰা হ'ব। অভিযুক্ত শ্যামকানু মহন্তৰ অধিবক্তাই গোচৰৰ যাৱতীয় নথিপত্ৰ লাভ নকৰা বুলি আজি আদালতত আবেদন দাখিল কৰে। কিন্তু নথিপত্ৰ পৰীক্ষণৰ বাবে পূৰ্বে যথেষ্ট সময় দিয়াৰ পৰিপ্ৰেক্ষিতত আদালতে আজি অভিযুক্ত মহন্তৰ অধিবক্তাৰ আবেদনখন খাৰিজ কৰে।

00000

নিৰ্বাচন আয়োগে আসন্ন বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীৰ ব্যয়ৰ সীমা ৪০ লাখ ধাৰ্য কৰিছে। এগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচন আয়োগক ব্যয় সম্পৰ্কীয় সকলো তথ্য দাখিল কৰিব লাগিব বুলি আয়োগে স্পষ্ট কৰি দিছে। ২০২২ চনৰ ৬ জানুৱাৰীত চৰকাৰে সংশোধন কৰা অনুসৰি ব্যয়ৰ উচ্চ সীমা নিৰ্ধাৰণ কৰা হৈছে বুলি আয়োগে প্ৰকাশ কৰিছে। এই অনুসৰি অসম, কেৰেলাম, তামিলনাডু আৰু পশ্চিমবংগৰ প্ৰাৰ্থীয়ে ৪০ লাখ টকালৈকে আৰু পুডুচেৰীৰ প্ৰাৰ্থীয়ে ২৮ লাখ টকা পৰ্যন্ত ব্যয় কৰিব পাৰিব।

সমাগত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে অসমসহ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ২৫ লাখৰো অধিক বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে।

০০০০০

দেশত ইন্ধনৰ যোগান স্বাভাৱিক অৱস্থাত আছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই আজি এখন সংবাদমেলত এই বিষয়ে সদৰি কৰে। দেশৰ শোধনাগাৰসমূহে পৰিস্থিতিৰ জোৰা মৰাৰ বাবে সৰ্বোচ্চ ক্ষমতাৰে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। দেশত ইন্ধনৰ নাটনি হোৱা নাই আৰু পৰ্যাপ্ত ইন্ধন মজুত আছে বুলি তেওঁ উল্লেখ কৰে।

(বাইট)

উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে মধ্য প্ৰাচ্যত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত ইন্ধনৰ জোৰা মৰাৰ বাবে ৩ মাহৰ বাবে অপৰিশোধিত তেল মজুত কৰি ৰাখিবলৈ সংসদৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ বিভাগৰ স্থায়ী সমিতিয়ে পৰামৰ্শ জাৰি কৰিছিল। কঠিন পৰিস্থিতিত ইন্ধনৰ ঘাটিৰ বাবে যাতে দেশৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সমিতিখনে এই পৰামৰ্শ দিয়ে। কেন্দ্ৰীয় চৰকাৰক এইক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও সমিতিয়ে পৰামৰ্শ দিছে। তদুপৰি গ্ৰামাঞ্চলৰ বাসিন্দা আৰু নিম্ন আয়ৰ লোকসকলৰ বাবে ৰন্ধন গেছ সহজলভ্য কৰাৰ ব্যৱস্থা ল'বলৈও সমিতিয়ে পৰামৰ্শ দিছে। উল্লেখযোগ্য যে মধ্য প্ৰাচ্যৰ পৰিস্থিতিৰ ফলত হৰমুজ প্ৰণালী বন্ধ হোৱাৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ বিভিন্ন প্ৰান্তত ইন্ধনক লৈ আশংকাৰ সৃষ্টি হৈছে যদিও কেন্দ্ৰীয় চৰকাৰে দেশত পৰ্যাপ্ত ইন্ধন মজুত আছে বুলি দোহাৰি আহিছে। শেহতীয়াকৈ হৰমুজ প্ৰণালী পাৰ হৈ দুখন জাহাজত ৯০ হাজাৰ মেট্ৰিক টনৰো অধিক ৰন্ধন গেছ ভাৰতলৈ আহিছে। কোনো পৰিস্থিতিতে যাতে দেশত ইন্ধনক লৈ সংকটৰ সৃষ্টি নহয় তাৰ বাবে সংসদীয় সমিতিখনে এই পৰামৰ্শ জাৰি কৰিছে।

০০০০০

১৯৫২ চনত প্ৰতিষ্ঠা লাভ কৰা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবাৰ মহাৰজত জয়ন্তী উদযাপনৰ প্ৰস্তুতি গ্ৰহণ কৰিছে। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত সন্মিলনীৰ বিষয়ববীয়াই এই বিষয়ে সদৰি কৰে। জনতাৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগৰ বাবে মহাৰজত জয়ন্তীৰ কাৰ্যসূচী পাঁচ দিনৰ পৰিৱৰ্তে চাৰি দিনত অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ এটা দিন সম্পূৰ্ণৰূপে জুবিন গাৰ্গৰ নামত উৎসৰ্গিত কৰা হ'ব। সেইদিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে জনতাৰ শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰিব। একেদৰে বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে এদিনৰ কাৰ্যসূচী শিল্পীগৰাকীৰ নামত উৎসৰ্গা কৰা হ'ব বুলি সংবাদমেলত প্ৰকাশ কৰে।

০০০০০

ডিব্ৰুগড়ৰ জ্যোতিনগৰ নিবাসী, খোৱাং পিথুবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী আভা গগৈৰ কালি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ। বিভিন্ন সাংস্কৃতিক কামৰ সৈতেও জড়িত থকা শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত